# উপায়ুক্ত
## (Deputy Commissioner)

জিলা বিষয়াক উপায়ুক্ত, জিলা দণ্ডাধীশ, জিলা সমাহৰ্তা আদি বিভিন্ন নামেৰে জনা যায়। অসমত তেওঁক উপায়ুক্ত বুলিয়েই জানে। জিলা প্ৰশাসনৰ তেৱেঁই হৈছে মূল বিষয়া। ১৭৭২ চনত পোন-প্ৰথম এই পদটো সৃষ্টি কৰা হৈছিল, যদিও ১৭৭৩ চনত অৰ্থাৎ প্ৰায় এবছৰৰ ভিতৰতে এই পদৰ উচ্ছেদ সাধন কৰা হয়। কিন্তু ১৭৮১ চনত পদটো পুনৰ প্ৰৱৰ্তন কৰা দেখা যায়। অৱশেষত ১৭৮৬ চনত জিলাক একোটা নিয়মিত বিত্তীয় গোট হিচাপে ঘোষণা কৰি ইয়াৰ প্ৰশাসনৰ দায়িত্ব উপায়ুক্তৰ হাতত অৰ্পণ কৰা হয়। ১৭৮৭ চনত প্ৰায় সকলো জিলাৰ উপায়ুক্তক দণ্ডাধীশৰ ক্ষমতাও প্ৰদান কৰা হয়।

১৮৫৭ চনৰ পূৰ্বৰ উপায়ুক্তৰ ভূমিকা সম্বন্ধে উল্লেখ কৰি জৰ্জ চেছ্নে (George Chessney)-য়ে তেওঁৰ 'দি ইণ্ডিয়ান পলিটি' (The Indian Polity) নামৰ গ্ৰন্থখনত উপায়ুক্তক ৰাজহ সংগ্ৰহৰ চৰকাৰী বিত্তীয় প্ৰতিনিধি বুলি অভিহিত কৰিছে। স্থানীয় নিধিৰ দায়িত্বত থকা তেওঁ হ'ল এজন চৰকাৰী কোষাধ্যক্ষ। দণ্ডাধীশ হিচাপে তেওঁ জিলাখনত আইন-শৃঙ্খলা ৰক্ষা কৰা, আৰক্ষী বিভাগৰ তদাৰক কৰা আৰু কাৰাগাৰ পৰিচালনাৰ দায়িত্ব বহন কৰিব লগীয়া হয়।

১৮৫৭ চনৰ পৰা ১৯০৯ চনলৈকে উপায়ুক্ত অতি ক্ষমতাশালী বিষয়া আছিল, সেইবাবে তেওঁক বহুতে 'ক্ষুদ্ৰ নেপোলিয়ন' (Little Napoleon) বুলিও আখ্যা দিয়ে। ১৯০৭ চনত বিকেন্দ্ৰীকৰণ নীতিৰ ওপৰত গঠন কৰা আয়োগ (Royal Commission on Decentralisation)-এ উপায়ুক্তক অধিক ক্ষমতা প্ৰদান কৰিব লাগে বুলিও পৰামৰ্শ দিছিল।

১৯১৯ চনৰ ভাৰত চৰকাৰ আইনে ৰাজ্যসমূহত দ্বৈত শাসন ব্যৱস্থাৰ সৃষ্টি কৰে আৰু ১৯২১ চনত এই আইন বলৱৎ হোৱাৰ লগে লগে উপায়ুক্তৰ ক্ষমতাত যথেষ্ট আঘাত পৰে। আইনখনে বিধান পৰিষদৰ সদস্যসকলৰ নিৰ্বাচনৰ প্ৰৱৰ্তন কৰাত কেইবাটাও বিভাগৰ প্ৰশাসনৰ দায়িত্ব নিৰ্বাচিত মন্ত্ৰীলৈ হস্তান্তৰ কৰা হয়। ফলস্বৰূপে জিলাত অধিষ্ঠিত বিভাগসমূহৰ বিষয়াসকলে উপায়ুক্তৰ পৰিৱৰ্তে বিভাগীয় মুৰব্বীৰ পৰাহে পৰামৰ্শ গ্ৰহণ কৰিব লগীয়া হোৱাত উপায়ুক্তৰ স্ব-বিচাৰ ক্ষমতাৰ যথেষ্ট হ্ৰাস হয়। ১৯৩০ চনৰ ছাইমন আয়োগে উপায়ুক্তৰ ক্ষমতা হ্ৰাস কৰা ব্যৱস্থাৰ আপত্তি কৰিছিল।

কিন্তু ১৯৬৫ চনৰ ভাৰত চৰকাৰ আইনখনে প্ৰাদেশিক স্বতন্ত্ৰতাৰ প্ৰৱৰ্তন কৰাত



Scanned by CamScanner

উপায়ুক্তই নিৰ্বাচিত মন্ত্ৰীৰ সহযোগত নিজৰ দায়িত্ব পালন কৰিব লগীয়া হোৱাত তেওঁৰ ক্ষমতাৰ যথেষ্ট হ্ৰাস হোৱা পৰিলক্ষিত হয়।

ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছত উপায়ুক্ত পদৰ গুৰুত্ব নকমিল, বৰং এই পদৰ দায়িত্ব বহুমুখী হৈ পৰে। গণতান্ত্ৰিক শাসন ব্যৱস্থা, বিকেন্দ্ৰীকৰণ নীতিৰ প্ৰৱৰ্তন, উন্নয়নমূলক আঁচনি, জনসাধাৰণৰ সচেতনতা আৰু জনমতৰ ওপৰত গুৰুত্ব আৰোপ কৰা ব্যৱস্থাই উপায়ুক্তৰ কৰ্তৃত্বৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলায়।

ভাৰতৰ সংবিধানে জিলা বিষয়াৰ ক্ষমতাৰ কিছু হ্ৰাস কৰা পৰিলক্ষিত হয়। সংবিধানৰ ৫০নং অনুচ্ছেদ অনুসৰি ন্যায়ালয় আৰু কাৰ্যপালিকাৰ মাজত ব্যৱধানৰ ব্যৱস্থা কৰাত সুকীয়া ন্যায়িক বিষয়াৰ পদ সৃষ্টি কৰিব লগীয়া হয়।

জিলাসমূহত বিভিন্ন ধৰণৰ কাৰিকৰী বিভাগৰ, যেনে—শ্ৰম, কৃষি, সমবায় আদিৰ সৃষ্টিয়ে বহু সংখ্যক নতুন বিষয়া জিলা প্ৰশাসন এলেকাত নিয়োগ কৰিবলৈ বাধ্য কৰায়। ইয়াৰ ফলতো উপায়ুক্তৰ ক্ষমতাৰ হ্ৰাস হয়। তাৰোপৰি পঞ্চায়তীৰাজ অনুষ্ঠানসমূহক উন্নয়নমূলক কামৰ দায়িত্বভাৰ দি উপায়ুক্তৰ প্ৰশাসনিক ক্ষমতাৰ যথেষ্ট পৰিৱৰ্তন ঘটায়। বিভিন্ন কাৰণত, যেনে—কামৰ অধিক হেঁচা; জনসাধাৰণৰ সৈতে দূৰসম্পৰ্ক; আৰক্ষী, ৰাজহ আৰু কাৰিকৰী বিভাগৰ মাজত সমন্বয় প্ৰতিষ্ঠা কৰাৰ সমস্যা আদি উপায়ুক্তৰ কৰ্তৃত্বৰ নিৰ্ণায়ক হৈ পৰে।

জিলা প্ৰশাসনত উপায়ুক্তৰ ভূমিকা সম্বন্ধে তলত আলোচনা কৰা হ'ল—

**(১) সমাহৰ্তা হিচাপে (As a Collector) :** জিলাৰ ৰাজহ প্ৰশাসনৰ মুৰব্বী হিচাপে ভূমি ৰাজহ নিৰ্ণয় কৰা আৰু সংগ্ৰহ কৰা তেওঁৰ প্ৰাথমিক দায়িত্ব। জনসাধাৰণৰ ওপৰত বিভিন্ন ধৰণৰ কৰ আৰোপ কৰা হয়, যেনে—পানী-যোগান কৰ, আয়কৰ, কৃষি সম্বন্ধীয় কৰ আদি। এই বিভিন্ন বিষয়বোৰৰ ওপৰত আৰোপ কৰা কৰৰ নিয়ন্ত্ৰণ তথা প্ৰশাসনৰ দায়িত্ব সমহৰ্তাৰ হাতত ন্যস্ত কৰা হয়।

ভূমি অধিগ্ৰহণ সমাহৰ্তাৰ অন্যতম গুৰুত্বপূৰ্ণ দায়িত্ব বুলি ক'ব পাৰি। উন্নয়নমূলক প্ৰকল্প, গৃহ নিৰ্মাণ আঁচনি আদিৰ বাবে ভূমি অধিগ্ৰহণ কৰা এওঁৰ দায়িত্বৰ ভিতৰত পৰে। জিলাৰ বিত্তীয় কোষ এওঁৰ তত্ত্বাৱধানত থাকে।

ভূমিৰ হিচাপ প্ৰস্তুতি আৰু হিচাপ ৰক্ষণৰ দায়িত্ব সমাহৰ্তাৰ হাতত অৰ্পণ কৰা হৈছে। ভূমি জৰিপ, ভূমি সংস্কাৰ আইনৰ কাৰ্যকৰীকৰণ আদি সমাহৰ্তাৰ এক গুৰুত্বপূৰ্ণ দায়িত্ব বুলি গণ্য কৰিব পাৰি।

ৰাজহ প্ৰশাসনত সমাহৰ্তাই মহকুমাধিপতি, পাটোৱাৰী, তহচিলদাৰ (Tehsildar) আদি বিষয়াৰ সহায় লয়।

**(২) জিলা দণ্ডাধীশ হিচাপে (As a District Magistrate) :** দণ্ডাধীশ হিচাপে উপায়ুক্তই জিলা প্ৰশাসনত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। জিলাত আইন-শৃঙ্খলা

Scanned by CamScanner

অটুট ৰখাৰ বাবে তেওঁ দৃষ্টি ৰাখিব লাগে আৰু এই দায়িত্ব পালন কৰোঁতে উপায়ুক্ত কেতিয়াবা জটিল পৰিস্থিতিৰ সন্মুখীন হ'ব লগীয়া হয়। কিয়নো সামাজিক, ৰাজনৈতিক আৰু সাম্প্ৰদায়িক উত্তেজনাই জিলা প্ৰশাসনত আইন-শৃঙ্খলা ৰক্ষা কৰাত যথেষ্ট অসুবিধাৰ সৃষ্টি কৰে। সন্ত্ৰাসবাদ, সাম্প্ৰদায়িকতাবাদ, চোৰাং বেপাৰ আৰু অন্যান্য অৰ্থনৈতিক অপৰাধে প্ৰায়ে জিলা প্ৰশাসনত খেলি-মেলিৰ সৃষ্টি কৰে।

জিলা দণ্ডাধীশৰ দায়িত্বৰ সৈতে তিনিটা উপাদান জড়িত হৈ আছে, যেনে—আৰক্ষী, ন্যায়ালয় আৰু কাৰাগাৰ; আৰক্ষী অধীক্ষকৰ নেতৃত্বত আৰক্ষী বিভাগটো জিলা দণ্ডাধীশৰ তত্ত্বাৱধানত থাকে। অৱশ্যে বিভাগৰ আভ্যন্তৰীণ প্ৰশাসন, আইন-শৃঙ্খলা আৰু কাৰিকৰী তত্ত্বাৱধানৰ বাবে আৰক্ষী অধীক্ষক সঞ্চালক প্ৰধানৰ ওচৰত দায়বদ্ধ হয়।

আৰক্ষী অধীক্ষক আৰু জিলা দণ্ডাধীশৰ সম্বন্ধক লৈ বহুদিন বিতৰ্ক হৈ থকা দেখা যায়। ১৯ শতিকাৰ শেষৰ ফালে এই বিতৰ্ক আৰম্ভ হয় যেতিয়া আৰক্ষী অধীক্ষকক দণ্ডাধীশৰ অধীনস্থ বিষয়া হিচাপে ঘোষণা কৰা হৈছিল। ১৯০২–১৯০৫ চনৰ ভাৰতীয় আৰক্ষী আয়োগ (Indian Police Commission)-এ দণ্ডাধীশক আৰক্ষী অধীক্ষকৰ কাৰ্যত হস্তক্ষেপ কৰাৰ পৰা বিৰত থাকিবলৈ পৰামৰ্শ দিয়ে।

আধুনিক ৰাষ্ট্ৰসমূহতো দুয়োজন বিষয়াৰ সম্বন্ধক লৈ কেতিয়াবা উত্তেজনাৰ সৃষ্টি হয়। কলিকতা, মুম্বাই, চেন্নাই আৰু দিল্লীত আইন-শৃঙ্খলা ৰক্ষা কৰাৰ দায়িত্ব আৰক্ষী আয়ুক্তক প্ৰদান কৰিছে। জিলা দণ্ডাধীশৰ এই প্ৰসঙ্গত কোনো ক্ষমতা নাই।

জিলা দণ্ডাধীশে ন্যায়ালয়ৰ এজেণ্ট হিচাপে দায়িত্ব পালন কৰিব লগীয়া হয়। ন্যায়ালয়ৰ আদেশ কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত এওঁ এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

জিলা কাৰাগাৰ দণ্ডাধীশৰ সাধাৰণ নিয়ন্ত্ৰণত থাকে। কাৰাগাৰৰ প্ৰশাসন সম্বন্ধে জানিবৰ বাবে তেওঁ কাৰাগাৰ পৰিদৰ্শন কৰিব পাৰে। কাৰাগাৰত থকাসকলৰ শাস্তি দিয়াৰ বাবে তেওঁ পৰামৰ্শদান কৰিব পাৰে।

**(৩) সমন্বয়ক হিচাপে (As a Co-ordinator) ঃ** প্ৰথম অৱস্থাত জিলা প্ৰশাসনৰ গুৰুত্বপূৰ্ণ কাৰ্যসমূহৰ সমন্বয় ৰক্ষা কৰাৰ দায়িত্ব উপায়ুক্তই বহন কৰিছিল। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছত জিলা পৰ্যায়ত বহু ধৰণৰ প্ৰশাসনীয় বিভাগৰ সৃষ্টি কৰা হয়। জনস্বাস্থ্য, গড়কাপ্তানি, কৃষি, শিক্ষা, সমবায় আদি বিভাগবোৰৰ বিশেষজ্ঞৰ নেতৃত্বত কাৰ্য সমাধান কৰিবলৈ ধৰে। গতিকে দেখা যায় এনে বিভাগবোৰত বিশেষজ্ঞসকলৰ প্ৰাধান্য বেছি আৰু বিভাগীয় কাৰ্যৰ বাবে তেওঁলোক ৰাজ্যিক সচিবালয়ৰ ওচৰতহে দায়বদ্ধ হৈ পৰে। জিলাত উন্নয়নমূলক আঁচনি এই বিভাগসমূহৰ দ্বাৰা কাৰ্যকৰী হয় আৰু সমন্বয়ক হিচাপে উপায়ুক্তৰ গুৰুত্ব কমি যাবলৈ ধৰে। তথাপি বিভিন্ন বিভাগৰ বিষয়াসকলৰ মাজত সভা-সমিতি অনুষ্ঠিত কৰি সমন্বয়কৰ দায়িত্ব পালন কৰে।

**(৪) উন্নয়ন বিষয়া হিচাপে (As a Development Officer) ঃ** উন্নয়নমূলক

Scanned by CamScanner

পৰিকল্পনা প্ৰস্তুতিত স্বাধীন ভাৰতত উপায়ুক্তই উন্নয়ন বিষয়া হিচাপে এক গধুৰ দায়িত্ব বহন কৰিব লগীয়া হয়। কল্যাণকামী ৰাষ্ট্ৰত গ্ৰামোন্নয়ন ব্যৱস্থাই এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰাত ১৯৫২ চনত বহু ধৰণৰ সমাজ উন্নয়ন আঁচনি প্ৰস্তুত কৰা হয়। ১৯৬০ চনত স্বাস্থ্য, শিক্ষা, নিয়োগ, গৃহ নিৰ্মাণ, মহিলাৰ বাবে বিশেষ আঁচনি, শিশু আৰু যুৱকৰ উন্নতিৰ বাবে আঁচনিৰ কাম আৰম্ভ কৰা হয়। এনে আঁচনিৰ দ্বাৰা দৰিদ্ৰতা নিৰ্মূল আৰু জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰিবলৈ সকলো ধৰণৰ প্ৰচেষ্টা চৰকাৰে হাতত লয়। ফলস্বৰূপে উপায়ুক্তই কেৱল উপদেষ্টা আৰু নিৰীক্ষক হিচাপে দায়িত্ব পালন কৰাৰ উপৰিও আঁচনি কাৰ্যকৰীকৰণত নেতৃত্ব দিব লগীয়াও হয়।

উন্নয়ন বিষয়া হিচাপে উপায়ুক্তই জিলা গ্ৰামোন্নয়ন এজেন্সি (District Rural Development Agency)-ৰ পদেন অধ্যক্ষৰ দায়িত্ব লয়। আত্মনিয়োজনৰ বাবে যুৱকৰ প্ৰশিক্ষণ (TRYSEM), ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আঁচনি (NRED), গ্ৰাম্য অঞ্চলৰ শিশু আৰু মহিলাৰ উন্নতি (DWRA), সমগ্ৰ গ্ৰাম্য বিকাশ আঁচনি আদি ৰূপায়ণৰ দায়িত্ব এওঁৰ হাতত ন্যস্ত কৰা হৈছে আৰু এই দায়িত্ব পালনত জিলা পৰ্যায়ৰ বিষয়াসকলে উপায়ুক্তক সহযোগ কৰে। তাৰোপৰি জিলা উদ্যোগ কেন্দ্ৰ (District Industries Centre), বেংক পৰিচালকৰ সমন্বয় সমিতি (Bankers Co-ordination Committee) আদিৰ অধ্যক্ষ হিচাপে উন্নয়মূলক আঁচনিৰ সৈতে জড়িত হয়।

উপায়ুক্তই উন্নয়ন বিষয়াৰ দায়িত্ব পালন কৰোঁতে জিলা পৰিষদৰ সৈতে তেওঁ ওচৰ সম্বন্ধ ৰক্ষা কৰিব লগীয়া হয়। ১৯৫৯ চনত বলৱন্ত ৰায় মেহতা সমিতিৰ পৰামৰ্শক্ৰমে সকলো ৰাজ্যত তিনিখলপীয়া পঞ্চায়তীৰাজ অনুষ্ঠানৰ সৃষ্টি কৰা হয়। আৰু কোনো কোনো ৰাজ্যত তেওঁ জিলা পৰিষদৰ অধ্যক্ষৰূপে দায়িত্বভাৰ লয়। উপায়ুক্তৰ এই ভূমিকাৰ সমালোচনা কৰি সমালোচকসকলে কয় যে জিলা পৰিষদত উপায়ুক্তৰ উপস্থিতিয়ে সমস্যা সমাধানত বাধাৰ সৃষ্টিহে কৰিব।

যি কি নহওক, ৭৩ তম আৰু ৭৪ তম সংবিধান সংশোধনে পঞ্চায়তীৰাজ আৰু মিউনিচিপাল বোৰ্ড, পৌৰ নিগম আদিক সাংবিধানিক স্থান দিয়াৰ উপৰিও উন্নয়নমূলক কাৰ্যৰ দায়িত্বভাৰ দিয়াত উপায়ুক্তৰ ক্ষমতাৰ কিছু হ্ৰাস হয়।

ওপৰত বৰ্ণনা কৰা কাৰ্যৰ উপৰিও উপায়ুক্তই তলত উল্লেখ কৰা কাৰ্যসমূহ সমাধান কৰিব লাগে ঃ

(১) জিলা পিয়ল বিষয়া হিচাপে প্ৰতি ১০ বছৰৰ অন্তত পিয়লৰ দায়িত্ব উপায়ুক্তই বহন কৰে;

(২) সংসদ আৰু বিধান সভাৰ নিৰ্বাচনত মুখ্য নিৰ্বাচন বিষয়াৰূপে দায়িত্বভাৰ লয়;

(৩) তেওঁৰ এলেকাত অনুষ্ঠিত হোৱা অনুষ্ঠানবোৰত চৰকাৰৰ প্ৰতিনিধি ৰূপে অংশগ্ৰহণ কৰে;

Scanned by CamScanner